# 2021

( Held in 2022 )

## ECONOMICS

Paper : ECO–RE–5026

**( Money and Banking )**

( Regular Elective )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following as directed : 1×10=10

তলত দিয়াবোৰৰ নিৰ্দেশ অনুসৰি উত্তৰ দিয়া :

*(a)* What is fiat money?

আদেশী মুদ্ৰা কি ?

(b) According to $M_1$ measurement, money supply includes the following component :

$$M_1 = C + DD + OD$$

( Write True or False )

মুদ্ৰা যোগানৰ $M_1$ ধাৰণা মতে

$$M_1 = C + DD + OD$$

( সঁচা নে মিছা লিখা )

(c) Define capital market.

মূলধন বজাৰৰ সংজ্ঞা লিখা।

(d) When was the State Bank of India nationalized?

ভাৰতীয় ষ্টেট বেংক কেতিয়া ৰাষ্ট্ৰীয়কৃত কৰা হৈছিল?

(e) Mention any one instrument of money market.

মুদ্ৰা বজাৰৰ যি কোনো এটা আহিলাৰ নাম লিখা।

(f) Mention one feature of money.

মুদ্ৰাৰ এটা বৈশিষ্ট্য লিখা।

(g) What is bank rate?

বেংক হাৰ কি?

(h) What is meant by moral hazard?

নৈতিক বিপত্তি বুলিলে কি বুজা যায়?

*(i)* Which of the following is not correct?
তলৰ কোনটো সত্য নহয়?

*(i)* RBI was nationalized on January 1, 1935.
ভাৰতীয় ৰিজাৰ্ভ বেংক ১ জানুৱাৰী, ১৯৩৫ চনত ৰাষ্ট্ৰীয়কৃত কৰা হৈছিল।

*(ii)* RBI is the apex bank of India.
ভাৰতৰ শীৰ্ষ বেংক হ'ল ভাৰতীয় ৰিজাৰ্ভ বেংক।

*(iii)* RBI's headquarters is in Mumbai.
ভাৰতীয় ৰিজাৰ্ভ বেংকৰ মুখ্য কাৰ্যালয় মুম্বাইত।

*(iv)* Mr. Shaktikanta Das is present Governor of RBI.
শ্ৰী শক্তিকান্ত দাস ভাৰতীয় ৰিজাৰ্ভ বেংকৰ বৰ্তমান গৰ্ভনৰ।

( Choose the correct option )
( শুদ্ধ বিকল্পটো বাছি উলিওৱা )

*(j)* Mention one item of the liability side of the Balance Sheet of a bank.
বেংকৰ সমতাপূৰ্ণ হিচাপৰ. খতিয়ানৰ দেনাৰ তালিকাত থকা এটা উপাদানৰ নাম উল্লেখ কৰা।

**2.** Answer the following questions : 2×5=10
তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া :

*(a)* Write two functions of money.
মুদ্ৰাৰ দুটা কাৰ্য উল্লেখ কৰা।

*(b)* Mention two differences of money market and capital market.
মুদ্ৰা বজাৰ আৰু মূলধন বজাৰৰ দুটা পাৰ্থক্য লিখা।

(c) What are the components of money supply?

মুদ্ৰা যোগানৰ উপাদানবোৰ কি কি?

(d) Why does interest rate differ? Mention two reasons.

সুদৰ হাৰৰ পাৰ্থক্য কিয় হয়? দুটা কাৰণ লিখা।

(e) What are the constituents of financial system?

বিত্তীয় ব্যৱস্থাৰ উপাদানবোৰ কি কি?

**3.** Answer any *four* of the following questions : 5×4=20

তলৰ প্ৰশ্নবোৰৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

(a) What are the limitations of Fisher's equation of exchange of quantity theory of money.

মুদ্ৰাৰ পৰিমাণ তত্ত্বৰ ফিছাৰৰ নগদ বিনিময় সমীকৰণৰ সীমাবদ্ধতাবোৰ কি কি?

(b) Explain in brief the Balance Sheet approach to credit creation in banking system.

বেংক ব্যৱস্থাত ঋণ সৃষ্টিৰ সমতাপূৰ্ণ হিচাপৰ খতিয়ান ধাৰণাটো চমুকৈ বৰ্ণনা কৰা।

*(c)* Briefly discuss the loanable fund theory of interest rate determination.

সুদৰ হাৰ নিৰ্ধাৰণৰ ঋণযোগ্য পুঁজি তত্ত্বটো চমুকৈ আলোচনা কৰা।

*Or / অথবা*

Explain how demand for money arises as per liquidity preference theory of interest rate determination.

সুদৰ হাৰ নিৰ্ধাৰণৰ তাৰল্য পছন্দ তত্ত্ব মতে মুদ্ৰাৰ চাহিদা কেনেকৈ উদ্ভৱ হয়, বৰ্ণনা কৰা।

*(d)* What is stock market? Explain its significance in modern economy.

ষ্টক বজাৰ কি? আধুনিক অৰ্থনীতিত ষ্টক বজাৰৰ ভূমিকা বৰ্ণনা কৰা।

*(e)* How does a Central Bank influence monetary management of an open economy?

মুক্ত অৰ্থনীতিৰ মৌদ্ৰিক পৰিচালনাত কেন্দ্ৰীয় বেংকে কিদৰে প্ৰভাৱ খটুৱাই, আলোচনা কৰা।

*Or / অথবা*

What are the main characteristics of a developed money market?

এখন উন্নত মুদ্ৰা বজাৰৰ মুখ্য বৈশিষ্ট্যবোৰ কি কি?

*(f)* Write a short note on selective credit control methods of Central Bank.

কেন্দ্ৰীয় বেংকৰ বাছনিমূলক ঋণ নিয়ন্ত্ৰণ পদ্ধতি সম্পৰ্কে এটা চমু টোকা লিখা।

**4.** Answer any *four* of the following questions : 10×4=40

তলৰ প্ৰশ্নবোৰৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

*(a)* Critically examine the cash balance approach to the quantity theory of money.

মুদ্ৰাৰ পৰিমাণ তত্ত্বৰ নগদ জমা বা ৰাহি ধাৰণাটোৰ সমালোচনাত্মক ব্যাখ্যা আগবঢ়োৱা।

*(b)* Explain in detail the functions of Central Bank.

কেন্দ্ৰীয় বেংকৰ কাৰ্যসমূহ বহলাই বৰ্ণনা কৰা।

*(c)* Mention elaborately the main objectives of monetary policy of a country.

এখন দেশৰ মুদ্ৰানীতিৰ মূল লক্ষ্যবোৰ বহলাই উল্লেখ কৰা।

*Or / অথবা*

Explain the objectives of the recent monetary policy of the Reserve Bank of India.

ভাৰতীয় ৰিজাৰ্ভ বেংকৰ শেহতীয়া মুদ্ৰানীতিৰ মূল লক্ষ্যবোৰ বৰ্ণনা কৰা।

(d) Describe the various components of structure of banking system in India. Have you noticed any changes of structure in the system after economic reforms in India? 8+2=10

ভাৰতত বেংক ব্যৱস্থাৰ গাঁথনিৰ বিভিন্ন উপাদানবোৰ বৰ্ণনা কৰা। ভাৰতৰ আৰ্থিক সংস্কাৰৰ পৰৱৰ্তী কালত এই গাঁথনিৰ কিবা পৰিৱৰ্তন তুমি লক্ষ্য কৰিছানে?

(e) What are the main objectives of credit control of Central Bank? Are there any differences between quantitative and qualitative credit control measures of Central Bank? If yes, mention those differences. 5+5=10

কেন্দ্ৰীয় বেংকৰ ঋণ নিয়ন্ত্ৰণৰ মূল লক্ষ্যবোৰ কি কি? কেন্দ্ৰীয় বেংকৰ ঋণ নিয়ন্ত্ৰণৰ বাবে গ্ৰহণ কৰা পৰিমাণমূলক আৰু বাছনিমূলক ঋণ নিয়ন্ত্ৰণ পদ্ধতিসমূহৰ মাজত কিবা পাৰ্থক্য আছেনে? যদি আছে, সেই পাৰ্থক্যবোৰ উল্লেখ কৰা।

(f) Write a note on portfolio management of a commercial bank. How does banking reforms of India help in portfolio management process of a commercial bank? 7+3=10

বাণিজ্যিক বেংকৰ পত্ৰাধাৰ পৰিচালনা সম্বন্ধে এটা টোকা লিখা। ভাৰতৰ বেংক সংস্কাৰ পদ্ধতিয়ে এটা বাণিজ্যিক বেংকৰ পত্ৰাধাৰ পৰিচালনাত কিদৰে সহায় কৰিছে?

(g) What are the main objectives of open market operations? Mention the conditions needed for the success of open market operation. 6+4=10

খোলা বজাৰ প্ৰক্ৰিয়াৰ মূল উদ্দেশ্যবোৰ কি কি? খোলা বজাৰ প্ৰক্ৰিয়াৰ কাৰ্যকাৰিতাৰ বাবে প্ৰয়োজনীয় অৱস্থাবোৰ উল্লেখ কৰা।

(h) Explain the functions of financial system. Why is financial system important for economic growth? Discuss. 5+5=10

বিত্তীয় ব্যৱস্থাৰ কাৰ্যসমূহ উল্লেখ কৰা। অৰ্থনৈতিক উন্নয়নৰ বাবে বিত্তীয় ব্যৱস্থা কিয় প্ৰয়োজনীয়? আলোচনা কৰা।

★★★